# আগকথা

সৰুতে আইতাৰ মুখত সাধুকথা শুনাৰ যি সুবিধা পাইছিলোঁ, কৈশোৰত সিয়ে কাহিনী সাহিত্যৰ প্ৰতি আমাৰ মনক আকৰ্ষিত কৰি তুলিছিল। চান্দমামা, বেতাল বিক্ৰম কথা আদিৰ দৰে গ্ৰন্থবোৰ বিচাৰি আনি পঢ়াৰ মূলতেও এই আখ্যান প্ৰীতিয়ে প্ৰধান কাৰণ আছিল। এনে দুৰ্বলতাৰ বাবেই হয়তো কাগজে-পত্ৰই পোৱা গল্প বা আখ্যান আদি পঢ়ি চোৱাৰ এটি অভ্যাস সৰুতে গঢ় লৈ উঠিছিল। এই অভ্যাস আৰু আকৰ্ষণৰ ফলতে মহাবিদ্যালয় সপ্তাহৰ স্বৰচিত গল্প প্ৰতিযোগিতাত জীৱনৰ প্ৰথম গল্প 'আশাবাদী জীৱন'ৰ বাবে দ্বিতীয় স্থানত পুৰষ্কৃত হৈছিলোঁ। এনেধৰণৰ অভিজ্ঞতাবোৰে অসমীয়া চুটিগল্পৰ প্ৰসঙ্গত ভাবিবলৈ আৰু নতুন অধ্যয়ন কৰিবলৈ আমাক উদ্‌গনি যোগায়।

লক্ষ্মীনাথ ফুকনৰ প্ৰসঙ্গত ইতিমধ্যে বিভিন্নজনে লিখা-মেলা কৰিছে। তাৰ ভিতৰত তেওঁৰ সাংবাদিকতাৰ ৰূপ-ৰেখা অংকনেই সৰ্বাধিক। এই ক্ষেত্ৰত প্ৰফুল্ল চন্দ্ৰ বৰুৱা, প্ৰফুল্ল চন্দ্ৰ বৰা, উপেন্দ্ৰ বৰকটকী, চন্দ্ৰপ্ৰসাদ শইকীয়া, যতীন্দ্ৰ নাথ গোস্বামী, প্ৰসন্ন কুমাৰ ফুকন, সতীশ চন্দ্ৰ কাকতী, মোহন চন্দ্ৰ মহন্ত, মুনীন বৰকটকী, ৰবীন্দ্ৰনাথ বৰুৱা, অজিত কুমাৰ শৰ্মা আদিয়ে বিভিন্ন গ্ৰন্থ আৰু প্ৰবন্ধ ৰচনাৰে লক্ষ্মীনাথ ফুকনৰ সাংবাদিকতাৰ ওপৰত আলোকপাত কৰিছে। আনহাতে মুনীন বৰকটকী, গোবিন্দ প্ৰসাদ শৰ্মা, নন্দ তালুকদাৰ, চন্দ্ৰ কটকী, ইমদাহ উল্লাহ, যোগেন্দ্ৰ নাৰায়ন ভূঞা, চৈয়দ আব্দুল মালিক, নগেন শইকীয়া, প্ৰহ্লাদ কুমাৰ বৰুৱা, আনন্দ বৰমুদৈ, অৰুণ গোস্বামী, হেম বৰা, কালীপ্ৰসাদ গোস্বামী, প্ৰফুল্ল চন্দ্ৰ বৰা আদিয়ে গাইগুটীয়া প্ৰবন্ধ ৰচনাৰে লক্ষ্মীনাথ ফুকনৰ সাহিত্য কৃতিৰ পৰ্যালোচনা কৰিছে। তথাপি এইবোৰ কোনো কাৰণতে গৱেষণামূলক অধ্যয়ন নহয়। অৱশ্যে গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনত কেইবা বছৰৰ আগতে এম. ফিল ডিগ্ৰীৰ বাবে প্ৰদত্ত এখন গৱেষণা গ্ৰন্থ পোৱা গৈছে; কিন্তু সেইখনত লক্ষ্মীনাথ ফুকন সম্পৰ্কীয় বহু কথায়ে উহ্য হৈ থকা দৃষ্টিগোচৰ হয়। এই দিশটোৰ প্ৰতি লক্ষ্য কৰিয়ে মিডিয়া ট্ৰাষ্টৰ একালৰ অধ্যক্ষ প্ৰয়াত প্ৰফুল্ল চন্দ্ৰ বৰুৱায়ো আমাক যথেষ্ট উৎসাহিত কৰে আৰু খুব স্বচ্ছতাৰে গৱেষণা কাৰ্য সম্পূৰ্ণ কৰিবৰ বাবে আহ্বান জনায়। গতিকে উক্ত আহ্বান

আৰু চুটিগল্পৰ প্ৰতি থকা স্বাভাৱিক আকৰ্ষণ অনুভৱ কৰি 'লক্ষ্মীনাথ ফুকনৰ চুটিগল্পঃ এটি বিশ্লেষণাত্মক অধ্যয়ন' শীৰ্ষক বিষয়টিত গৱেষণা গ্ৰন্থ প্ৰণয়ন কৰিবৰ বাবে মনস্থ কৰা হয়। ইয়াৰ বাবে বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰাক্তন মুৰব্বী সহযোগী অধ্যাপক ড° নৱজ্যোতি শৰ্মাদেৱৰ তত্ত্বাৱধানত গৱেষণা কৰ্মৰ যাৱতীয় নীতি-নিয়ম সম্পূৰ্ণ কৰা হয়। উক্ত বিষয়ত গৱেষণা কাৰ্য সমাপনৰ লগে লগে লক্ষ্মীনাথ ফুকনৰ পেশাদাৰী সাংবাদিকতা, 'আসাম ট্ৰিবিউন' সম্পাদকীয়ৰ কাৰ্য-কুশলতা, চুটিগল্পৰ ব্যঙ্গাত্মক ধাৰা, ৰামধেনু যুগৰ গল্পকাৰ হিচাপে নৱ-প্ৰতিষ্ঠাৰ সুবিধা, সাহিত্যৰ বুৰঞ্জীত নৱ-প্ৰতিষ্ঠাকৰণ আদি বিভিন্ন দিশৰ পৰ্যালোচনা, পুনৰীক্ষণ আৰু সিদ্ধান্ত গ্ৰহণ সম্পূৰ্ণ হৈ উঠে। বিশেষকৈ সাংবাদিক লক্ষ্মীনাথ ফুকনৰ সমানে গল্পকাৰ লক্ষ্মীনাথ ফুকনৰ পদ্ধতিগত অধ্যয়নে অসমীয়া সাহিত্যৰ ভঁৰালত এক বৌদ্ধিক সম্পদ সংযোজিত হোৱাৰ বাট প্ৰশস্ত কৰে। আনহাতে উক্ত গৱেষণা কৰ্মৰ যোগেদি তেওঁৰ কবিতা আৰু উপন্যাসৰ গৱেষণামূলক অধ্যয়নো সকলোৰে বাবে সহজ হৈ পৰে।

লক্ষ্মীনাথ ফুকনৰ চুটিগল্পৰ বিশ্লেষণ আমাৰ বাবে এটা জটিল কাম। বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ অধীনত পি. এইচ. ডি উপাধিৰ বাবে যুগুতোৱা এই গ্ৰন্থখন পাৰিবাৰিক সমস্যা জঞ্জালৰ মাজত কৰা এক সীমিত অৱলোকনহে। এনে ক্ষেত্ৰত মোৰ নেৰা-নেপেৰা চেষ্টা আৰু বন্ধু, শুভাকাংক্ষী, গৱেষক, পণ্ডিত, সাহিত্যসেৱী, অধ্যাপক, পৰিয়াল-পৰিজনৰ উপৰিও তত্ত্বৱধায়কৰ নিঃস্বাৰ্থ উপদেশ তথা দিহা-ভৰসা আদি গৱেষণা গ্ৰন্থখন সম্পূৰ্ণ কৰি উলিওৱাৰ ক্ষেত্ৰত পূৰ্ণ সহায়ক। উক্ত পক্ষবোৰৰ সমৰ্থন অবিহনে আমাৰ গৱেষণা কৰ্ম আধৰুৱা হৈ ৰ'লহেঁতেন।

গৱেষণা কৰ্মৰ আৰম্ভণিৰ পৰা একাদিক্ৰমে সহযোগ লাভ কৰা বহু লোকৰ নাম এইখিনিতে শ্ৰদ্ধাৰে ল'বলগীয়া আছে। এই ক্ষেত্ৰত পোনতে তত্ত্বাৱধায়ক ড° নৱজ্যোতি শৰ্মাদেৱলৈ ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। নিজৰ অতি ব্যস্ততাপূৰ্ণ সময় আৰু শাৰীৰিক অসুস্থতাৰ মাজতে বিভিন্ন দিহা-পৰামৰ্শ দি যথাৰ্থ তত্ত্বাৱধানেৰে তেখেতে মোক কৃতাৰ্থ কৰিছে। এইখিনিতে তেখেতৰ শলাগ লোৱাৰ উপৰিও কৃতজ্ঞতাৰ শৰাই যাচিছোঁ। লগ পালেই ব্যক্তিগত খবৰ লোৱাৰ উপৰিও গৱেষণামূলক কৰ্মৰ বাবে সততে উদ্‌গনি দিয়া মোৰ শ্ৰদ্ধাৰ শিক্ষাগুৰু ড° বসন্ত কুমাৰ ভট্টাচাৰ্যলৈও কৃতজ্ঞতা জনাইছোঁ। তেখেতৰ আশীৰ্বাদ মোৰ পৰম পাথেয়।

লক্ষ্মীনাথ ফুকন সম্পৰ্কে মোৰ দৃষ্টি আকৰ্ষণ কৰোঁৱা প্ৰথম ব্যক্তিগৰাকী হ'ল টিহু মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী সহযোগী অধ্যাপক ড° জ্যোতিষ ভাগৱতী চাৰ। গৱেষণামূলক কৰ্মৰ বাবে বিষয় নিৰ্বাচন আৰু তথ্য সংগ্ৰহৰ বিভিন্ন ক্ষেত্ৰ দেখুৱাই দি তেখেতে গৱেষণা কৰ্মৰ পদ্ধতিগত দিশটোৰ সতে মোক চিনাকি কৰোঁৱায়। ভাতৃবৎ মৰমেৰে সকলো কথাৰ খুঁটি-নাটি মাৰি জটিল যেন লগা বিষয়ৰো সৰল ব্যাখ্যা আগবঢ়ায় তেখেতে গৱেষণা কৰ্মৰ বাবে মোক ভালেখিনি উৎসাহিত কৰিছে। ইয়াৰ বাবে তেখেতৰ ওচৰত মই চিৰ ঋণী হৈ থাকিম। এই দিশটোৰ প্ৰতি উৎসাহিত কৰা আন কেইগৰাকীমান ব্যক্তি হ'ল স্বৰ্গীয় প্ৰফুল্ল চন্দ্ৰ বৰুৱা, ড° ফণীধৰ তালুকদাৰ, নগেন শইকীয়া, নীলমণি ফুকন আদি। এখেতসকলে মোৰ গৱেষণা কৰ্মৰ বিষয় জনাৰ লগে লগে বিভিন্ন প্ৰকাৰে দিহা-পৰামৰ্শ দি মোক সহায় কৰে। গতিকে এইখিনিতে এখেতসকলৰো শলাগ নলৈ নোৱাৰিলোঁ।

মোৰ অধ্যয়নৰ সময়চোৱাত গভীৰ আন্তৰিকতাৰে সহায় কৰা আন এগৰাকী বৰেণ্য ব্যক্তি হ'ল অভয়াপুৰী মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী সহযোগী অধ্যাপক ড° ভবেন্দ্ৰ কলিতা চাৰ। পুথি যোগান ধৰাৰ উপৰিও গৱেষণাৰ পদ্ধতিগত জটিলতাৰ ক্ষেত্ৰত স্বাৰ্থহীনভাৱে দিহা-পৰামৰ্শ দি তেখেতে মোৰ মনৰ সংশয় ভালেখিনি নোহোৱা কৰিছিল। উক্ত সহায়ৰ বাবে চিৰদিনলৈ তেখেত মোৰ কৃতজ্ঞতা আৰু ধন্যবাদৰ পাত্ৰ হৈ থাকিব।

গৱেষণা কৰ্মৰ প্ৰসঙ্গেৰে যোগাযোগ কৰাৰ লগে লগে বিশেষ সহৃদয়তাৰে সহায়ৰ বাবে আগ্ৰহ দেখুওৱা স্বৰ্গীয় প্ৰফুল্ল চন্দ্ৰ বৰাদেৱলৈ এইখিনিতে শ্ৰদ্ধাভৰা শলাগ লৈছোঁ। সদা ব্যস্ত জীৱনৰ এটা দিন মোক সহায় কৰাৰ নামত সমৰ্পণ কৰি সুন্দৰ আদৰ-আপ্যায়নেৰে ব্যক্তিগত পুথিভঁৰালৰ গ্ৰন্থ উলিয়াই দি তেখেতে মোক যি সহায় কৰিলে, তাৰ বাবে তেখেতৰ ওচৰত মই চিৰ ঋণী হৈ থাকিম। আন এগৰাকী ব্যক্তি উপেন্দ্ৰ বৰকটকী চাৰ। লক্ষ্মীনাথ ফুকনৰ দ্বাৰা একালত তেওঁলৈ প্ৰেৰিত চিঠিৰ প্ৰতিলিপি দিয়াৰ উপৰিও এখন গ্ৰন্থ উপহাৰেৰে মোৰ প্ৰতি তেখেতে যি শুভ ইচ্ছা প্ৰদৰ্শন কৰিলে, তাৰ বাবে তেখেতৰ ওচৰত মই চিৰ কৃতজ্ঞ হৈ ৰ'ম। একেদৰে মঃ নুৰুল চুলতান, যিগৰাকীয়ে দেৰগাঁও শাখা সাহিত্য সভাত সংৰক্ষিত লক্ষ্মীনাথ ফুকনৰ একমাত্ৰ তৈলচিত্ৰখনৰ ৰঙীণ ফটোকপি মোলৈ প্ৰেৰণ কৰি যি সহৃদয়তা দেখুৱালে, তাৰ বাবে তেখেতৰ ওচৰত মই চিৰকৃতজ্ঞ হৈ থাকিলো।

মোৰ গৱেষণা কৰ্মৰ বাবে তথ্যৰ সন্ধানত দেৰগাঁও, নগাঁও, গোলাঘাট, যোৰহাট আৰু গুৱাহাটীৰ বিভিন্ন প্ৰান্তলৈ ব্যক্তিগত গাড়ীৰে ঘূৰাই লৈ ফুৰোৱা বন্ধু নয়ন ব্ৰহ্ম আৰু ভাগিন ল'ৰা ককিল বৰ্মনলৈও আন্তৰিক কৃতজ্ঞতা জনালোঁ। একেদৰে মোৰ খুলশালী পুনম ডেকাই দিনৰ দিনটো নন্দ তালুকদাৰ পুথিভঁৰালৰ মজিয়াত থিয় হৈ ডিজিটেল কেমেৰাৰে প্ৰায় পাঁচখন পুথি ফটো তুলি অনাত মোক যি সহায় কৰিলে, তাৰ বাবে পুনমলৈ এইখিনিতে মৰম আৰু অশেষ ধন্যবাদ যাচিলোঁ।

মোৰ গৱেষণা কৰ্মৰ প্ৰয়োজনীয় সমল বিচাৰি বহু পুথিভঁৰাল ব্যৱহাৰ কৰিবলৈ সুযোগ পাইছিলোঁ। সেইসমূহৰ ভিতৰত বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ পুথিভঁৰাল, গুৱাহাটী বিশ্ববিদ্যালয় পুথিভঁৰাল, গুৱাহাটী জিলা পুথিভঁৰাল, নন্দ তলুকদাৰ পুথিভঁৰাল, মিডিয়া ট্ৰাষ্টৰ পুথিভঁৰাল, অসম চৰকাৰৰ বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগৰ পুথিভঁৰাল, নলবাৰী জিলা পুথিভঁৰাল, বৰমা মহাবিদ্যালয়ৰ পুথিভঁৰাল, ধমধমা আঞ্চলিক মহাবিদ্যালয় পুথিভঁৰাল, কলিকতা ৰাষ্ট্ৰীয় পুথিভঁৰাল আদি উল্লেখযোগ্য। উক্ত পুথিভঁৰালসমূহৰ পৰা মূল্যবান গ্ৰন্থ আৰু আলোচনা আদি যোগান ধৰা পুথিভঁৰালী, সহযোগী কৰ্মীবৃন্দলৈ এই ছেগতে আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

গৱেষণা কৰ্ম আৰম্ভ কৰাৰ পৰা আজিলৈ অনৱৰতে তাগিদা দি থকা মোৰ শ্ৰদ্ধাৰ শহুৰ দেউতা শ্ৰীযুত ফণীধৰ ডেকালৈ এই চেগতে আন্তৰিক কৃতজ্ঞতা জনালোঁ। একেদৰে ধমধমা আঞ্চলিক মহাবিদ্যালয়ৰ অধ্যক্ষ ড° গৌতম চন্দ্ৰ দাস চাৰলৈও তেখেতৰ উদ্‌গনিমূলক সহযোগিতাৰ বাবে ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

গৱেষণা কালৰ দীঘলীয়া কাৰ্য-ক্ৰমণিকাত পূৰ্বসূৰী বিভিন্ন গৱেষক আৰু লেখকৰ গ্ৰন্থ তথা প্ৰবন্ধ-পাতিৰ সহায় লোৱা হৈছে। গতিকে তেখেতসকললৈ মোৰ ফালৰ পৰা আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

গৱেষণা কৰ্ম সোনকালে শেষ কৰিবৰ বাবে অনৱৰতে তাগিদা দি থকা মোৰ সহধৰ্মিণী ধীৰাৰ প্ৰতিও গভীৰ কৃতজ্ঞতা যাচিলোঁ। ঘৰুৱা দায়িত্বৰ উপৰিও মোৰ পঢ়া টেবুলত যাৱতীয় সকলো বস্তু যতনাই দি তেওঁ সঘনাই মোৰ বাবে পঢ়াৰ পৰিৱেশ এটা গঢ়ি দিয়ে। আনহাতে মোৰ মা, যিগৰাকীয়ে মোৰ পঢ়া জীৱনৰ সকলো সময়তে অসুবিধা হোৱা বুলি ভাবি কথা-বতৰাৰ পৰা সততে নিজক আঁতৰাই ৰাখিছিল। নিজৰ ইচ্ছাক জলাঞ্জলি দিও মোৰ সুবিধা-অসুবিধাৰ প্ৰতি নজৰ ৰখা মাৰ প্ৰতি

সেয়েহে শ্ৰদ্ধা আৰু কৃতজ্ঞতা যাচিলোঁ। আমাৰ মৰমৰ সাত বছৰীয়া পুত্ৰ বাবু (ময়ুখ), যিয়ে অনৱৰতে মোক সাবটি ধৰি শুৱাৰ ইচ্ছা প্ৰকাশ কৰে অথচ অনিচ্ছাকৃত স্বত্বেও অত্যধিক বুজনিত অকলে শুবলৈ বিচনাত উঠে। তেওঁৰ তেনে ব্যৱহাৰেৰে মোক পঢ়িবৰ সকাহ দিয়া বাবে বাবুকো হিয়া ভৰা মৰম আৰু কৃতজ্ঞতা যাচিলোঁ। আনহাতে মোৰ মৰমৰ যোল্লমহীয়া মাইনাজনী (প্ৰাপ্তি)য়েও অনাহক কন্দা-কটা নকৰি মোক পঢ়াৰ সুবিধা দিয়াত তেওঁলৈ মৰম যাচিলোঁ। একেদৰে মোৰ পৰিয়ালৰ লগত জড়িত সকলো পক্ষৰ উৎসাহ-উদ্দীপনাৰ বাবে আটাইলৈ হিয়াভৰা মৰম, কৃতজ্ঞতা আৰু মোৰ শ্ৰমৰ দিনৰ লগৰীয়া স্বৰ্গীয় পিতৃলৈ শ্ৰদ্ধা জ্ঞাপন কৰিলোঁ।

এতিয়ালৈ গৱেষণা গ্ৰন্থখনৰ ডি.টি.পি কৰি ধুনীয়াকৈ সজাই দিয়া মহাদেৱ গোস্বামী, হাচান আলী আৰু বৰ্ণিল প্ৰেছৰ সকলো কৰ্মকৰ্তাৰ শলাগ ল'লোঁ। সদৌ শেষত গৱেষণা গ্ৰন্থখনিত ৰৈ যোৱা অনিচ্ছাকৃত ভুল-ভ্ৰান্তিৰ বাবে সংশ্লিষ্ট সকলোৰে ওচৰত কৰ যোৰে ক্ষমা প্ৰাৰ্থনা মাগিলোঁ।

তাৰিখ ঃ

**দিগন্ত ৰাজবংশী**